# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
# ASSAM JATIYA BIDYALAY EDUCATION COUNCIL

AJBEC
অজাবি শিক্ষা সংসদ

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020

Ph. : 0361-2654229 (Office), e-mail : assamjatiyabidyalay@gmail.com, website : www.assamjatiyabidyalay.com


প্ৰসংগ ঃ এজবেক/জিসনি/০৪/২০
Ref :

তাৰিখ ঃ ২০-০৬-২০২০
Date :

## জিলা সমিতিসমূহলৈ নিবেদন

সাম্প্ৰতিক লকডাউনৰ বাবে বন্ধ হৈ শিক্ষানুষ্ঠানসমূহ এক দীঘলীয়া সময়ৰ বাবে বন্ধ হৈ থকাৰ সম্ভাৱনা প্ৰকট হৈ উঠিছে। সেয়েহে এশ শতাংশ শিক্ষাৰ্থীক সামৰি ল'ব নোৱাৰিলেও ম'বাইল ফোন নিৰ্ভৰ শিক্ষাদান প্ৰক্ৰিয়াৰ বিকল্প এই মুহূৰ্তত আমাৰ হাতত নাই। অসম জাতীয় বিদ্যালয়ৰ শিক্ষক/শিক্ষয়িত্ৰীসকলেও আন একাংশ বিদ্যালয়ৰ দৰে অনলাইন পাঠদান প্ৰক্ৰিয়াটো (লিখিত পাঠ/অডিও/ভিডিও) যথাসম্ভৱ সক্ৰিয় আৰু কাৰিকৰীভাৱে উন্নত কৰাৰ বাবে নিয়মীয়া প্ৰচেষ্টা অব্যাহত ৰাখিছে। এনে অডিও/ভিডিওবোৰৰ পাৰস্পৰিক আদান-প্ৰদানেৰে আমাৰ ৰাজ্যখনৰ শিক্ষাৰ্থীসকলক সহায় কৰাটোৱেই আমাৰ সকলোৰে একমাত্ৰ লক্ষ্য। এই প্ৰচেষ্টা নিৰৱচ্ছিন্নভাৱে চলি থাকিব।

**এইখিনিতে নিম্নলিখিত কথাখিনিৰ প্ৰতি সম্প্ৰতি এজবেক ৱাট্চ এপ গ্ৰুপত অন্তৰ্ভুক্ত হৈ থকা মাননীয় সহকৰ্মীসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰিছোঁ—**

১। হঠাতে আহি পৰা ক'ভিড মহামাৰীৰ পৰা উদ্ভুত পৰিস্থিতিৰ বাবে এজবেকৰ ২০১৯ চনত আৰম্ভ কৰি যথেষ্ট অগ্ৰগতি লাভ কৰা সাংগঠনিক কাম-কাজখিনি এটা পৰ্য্যায়ত থমকি ৰ'ব লগা হ'ল।

২। ইয়াৰ ফলত সকলোবোৰ জিলা সমিতি গঠনৰ প্ৰক্ৰিয়াটো অসম্পূৰ্ণ হৈ ৰ'ল। এজবেক ৱাট্ছ এপ গ্ৰুপটোতো সকলো জিলাৰ প্ৰতিনিধি অন্তৰ্ভুক্ত নহ'ল।

৩। উপৰোক্ত কাৰণত, সম্প্ৰতি আমি পঠিয়াই থকা শিক্ষণ ভিডিওবোৰ সকলো জিলাই পোৱাটো নিশ্চিত নহ'ল। কিছুমান জিলাত সময়মতে এই ভিডিঅ'সমূহ সকলো বিদ্যালয়লৈ পঠোৱাৰ ক্ষেত্ৰতো কিছু অসুবিধা হোৱা বুলি আমি জানিব পাৰিছোঁ।

**এনে পটভূমিত আমি কিছু কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰাৰ কথা চিন্তা কৰিছোঁ—**

ক) ইতিমধ্যে এজবেকলৈ বাৰ্ষিক প্ৰতিবেদন দাখিল কৰা বিদ্যালয়সমূহৰ তালিকা আমি প্ৰতিখন জিলালৈ প্ৰেৰণ কৰিম।

খ) জিলা সমিতি গঠন হওঁক বা নহওঁক, জিলা এখনৰ পৰা বাৰ্ষিক প্ৰতিবেদন দাখিল কৰা বিদ্যালয়সমূহৰ একোটা ৱাট্ছ এপ গ্ৰুপ প্ৰতিখন জিলাতে অতি শীঘ্ৰে গঠন কৰা হওঁক।

গ) প্ৰতিখন জিলা সমিতিৰ সভাপতি আৰু সম্পাদকসকল এজবেক গ্ৰুপত থকাৰ লগতে অতিৰিক্তভাৱে আৰু একোজন সদস্যক 'শৈক্ষিক সমন্বয়ক' হিচাপে নিৰ্বাচিত কৰি আমালৈ নাম আৰু ফোন নম্বৰ (ৱাট্ছ এপ থকা) পঠাব পাৰে। এনে সমন্বয়ক গৰাকীয়ে শৈক্ষিক সমলসমূহ নিয়মীয়াকৈ চোৱা, জিলাৰ ৱাট্ছ এপ গ্ৰুপটোলৈ নিয়মীয়াকৈ প্ৰেৰণ কৰা আৰু সেইবোৰ প্ৰতিখন বিদ্যালয়ৰ শিক্ষক/ছাত্ৰ-ছাত্ৰীসকলে পাইছেনে নাই তাৰ তদাৰকী কৰা আৰু কিবা অসুবিধা থাকিলে শীঘ্ৰেই এজবেকক অৱগত কৰা আদি কামবোৰ কৰিব পাৰিব।

অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229 (Office), e-mail : assamjatiyabidyalay@gmail.com, website : www.assamjatiyabidyalay.com

প্ৰসংগ ঃ এজবেক/জিসনি/০৪/২০ তাৰিখ ঃ ২০-০৬-২০২০
Ref : Date :

ঘ) জিলা সমিতি গঠন নোহোৱা জিলাসমূহত এনে জিলাভিত্তিক ৱাট্ছ এপ গ্ৰুপ গঠন কৰাৰ ক্ষেত্ৰত 'এজবেকে' শীঘ্ৰেই নিজাববীয়াকৈ উদ্যোগ ল'ব।

ঙ) এনড্ৰ'ইড মোবাইল নথকা শিক্ষাৰ্থীসকলক নিকটৱৰ্তী এনে মোবাইল থকা সহপাঠীৰ পৰা সহায় পোৱাটোও নিশ্চিত কৰিবলৈ জাতীয় বিদ্যালয়সমূহৰ শিক্ষক/শিক্ষয়িত্ৰীসকলে ব্যৱস্থা ল'ব।

চ) এই প্ৰক্ৰিয়াটো খৰতকীয়া কৰাৰ স্বাৰ্থত সন্মানীয় সহকৰ্মীসকলক বিনম্ৰ অনুৰোধ এটা জনাবলৈ বিচাৰিছোঁ। সেয়া হৈছে— ইতিমধ্যে এজবেক গ্ৰুপত অন্তৰ্ভুক্ত হৈ থকা এনে সদস্যসকলৰ পৰিচয় আমাৰ অৱগত যদিও নিম্নলিখিত কথাকেইটা যাতে তেখেতসকলে পুনৰবাৰ আমাক জনায়। এজবেক চ'ছিয়েল গ্ৰুপত মেছেজ কৰি এই তথ্যখিনি জনাব পাৰিব—

(১) নিজৰ নাম (২) জিলা সমিতিত পদবী (৩) জিলাৰ নাম।

ছ) এইখিনিতে এটা কথা স্পষ্ট কৰি দিবলৈ বিচাৰিছোঁ যে সম্প্ৰতি অন্তৰ্ভুক্ত হৈ থকা সকলো সদস্য এজবেক গ্ৰুপত থাকিবই। ইয়াৰ বাহিৰেও যিবোৰ জিলাৰ পৰা সভাপতি আৰু সম্পাদক এই গ্ৰুপত নাই, তেখেতসকলকো অন্তৰ্ভুক্ত কৰা হ'ব, সেয়েহে অন্তৰ্ভুক্ত নোহোৱা সভাপতি/সম্পাদকসকলৰ নামবোৰো পঠিয়াব।

জ) শৈক্ষক সমন্বয়কৰ নাম, ফোন নম্বৰ আৰু জিলাৰ তথ্য, জিলা সমিতিৰ যিকোনো বিষয়ববীয়া এগৰাকীয়ে প্ৰেৰণ কৰিব পাৰিব।

ঝ) সম্প্ৰতি অন্তৰ্ভুক্ত নোহোৱা আন জিলাসমূহৰ প্ৰতিনিধিকো এজবেক গ্ৰুপত অন্তৰ্ভুক্ত কৰি সকলোৰে জ্ঞাতাৰ্থে এজবেক গ্ৰুপত প্ৰকাশ কৰা হ'ব।

উপৰোক্ত কাৰ্য্যব্যৱস্থা সফল কৰাৰ ক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰিলোঁ।

শ্ৰদ্ধাৰে—

ডাঃ নাৰায়ণ শৰ্মা
সচিব, এজবেক